# জীৱন অভিমুখে খোজত খোজ মিলাওঁ আহক

**নিচা আসক্ত জীৱন প্ৰতিৰোধ কৰক !**

**অংগদানৰ জৰিয়তে জীৱন উপহাৰ দিয়ক !**

**Walk for Life — Join Walkathon**

**Donate Organs and Gift Life : Beat Drugs**

*শ্ৰদ্ধাভাজন ৰাইজ,*

*প্ৰিয় ছাত্ৰ-ছাত্ৰী আৰু যুৱ বন্ধুসকল,*

নমস্কাৰ গ্ৰহণ কৰিব।

অসমৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন **ইলোৰা বিজ্ঞান মঞ্চই** সমাজত বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰ, স্বাস্থ্য সজাগতা বৃদ্ধি, পৰিৱেশ ৰক্ষা আদিৰ উপৰি চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ সাধন তথা মানৱ কল্যাণৰ হকে মৰণোত্তৰ নেত্ৰদান-অংগদান-দেহদানক উৎসাহিত কৰাৰ হকে নিৰলসভাৱে প্ৰচেষ্টা চলাই আহিছে।

আমি আপোনালোকক জনাবলৈ পাই আনন্দিত যে ইলোৰা বিজ্ঞান মঞ্চৰ পঞ্চম অসম ৰাজ্যিক সন্মিলনখন অহা ৭, ৮ আৰু ৯ নৱেম্বৰ, ২০২৫ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে কামৰূপ জিলাৰ ঐতিহাসিকভাৱে গৰিমামণ্ডিত ৰঙিয়া চহৰত অনুষ্ঠিত হ'ব।

ইলোৰা বিজ্ঞান মঞ্চৰ পঞ্চম সন্মিলনক কেন্দ্ৰ কৰি আয়োজন কৰা প্ৰাক-সন্মিলনৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী হ'ল— সুস্থ আৰু সুন্দৰ জীৱনৰ দিশে সমূহীয়া পদযাত্ৰা বা '**Walkathon**'। অহা **২ নৱেম্বৰ দেওবাৰে পুৱা ৬.৩০ বজাত ৰঙিয়াৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ** পৰা আৰম্ভ হ'ব লগা এই 'ৱাকাথন'ৰ মূল বাৰ্তা হ'ল ঃ নিচাজাতীয় দ্ৰব্যৰ সেৱন বন্ধ আৰু নতুন প্ৰজন্মক ড্ৰাগছ আসক্তিৰ পৰা মুক্তি। তদুপৰি, মৃত্যুৰ পাছত দৃষ্টিহীনজনক দৃষ্টিদান আৰু কোনো মুমূৰ্ষু ৰোগীক অংগদান কৰি জীৱন দান তথা মানৱতাৰ জয়গান হ'ব প্ৰস্তাৱিত পদযাত্ৰাৰ অন্যতম প্ৰধান বাৰ্তা।

আপোনাসকল ভালকৈ অৱগত যে আমাৰ অসমতো ড্ৰাগছ আসক্ত যুৱক-যুৱতীৰ সংখ্যা নগৰে-চহৰে, গাঁৱে-ভূঞে উদ্বেগজনক হাৰত বাঢ়িছে। ড্ৰাগছ আসক্তিয়ে বহু পৰিয়াললৈ মাতি আনিছে অকল্পনীয় অশান্তি আৰু দুৰ্যোগ, ধ্বংস কৰিছে বহু পৰিয়াল আৰু সমাজ। নিচাসক্তসকলে সমাজত সংঘটিত কৰি আছে ন ন অপৰাধ। এইদৰে নৱ প্ৰজন্মৰ সৃষ্টিশীল প্ৰতিভা তথা জীৱনী শক্তি অবাবতে নষ্ট আৰু ধ্বংস হৈছে। বহুতে হেৰুৱাইছে নিজৰ অমূল্য জীৱন।

আমি এইটোও লক্ষ্য কৰিছোঁ, বৃক্ক, যকৃৎ, হৃৎপিণ্ড, হাওঁফাওঁ আদি অংগ বিকল হৈ প্ৰতিবছৰে সহস্ৰজনে অকালতে জীৱন হেৰুৱাব লগা হয়। মৃত্যুৰ পিছত অংগদানৰ জৰিয়তে আমি এনে ৰোগীক জীৱন দান কৰি নিজৰ জীৱন মহীয়ান কৰিব পাৰোঁ।

ড্ৰাগছৰ প্ৰচলন বন্ধ আৰু ড্ৰাগছ আসক্তি প্ৰতিহত কৰি সুস্থ সমাজ নিৰ্মাণ কৰাৰ একমাত্ৰ উপায় হ'ল ছাত্ৰ-যুৱ, পিতৃ-মাতৃ, শিক্ষক-অভিভাৱককে ধৰি সমাজৰ সৰ্বস্তৰৰ জনসাধাৰণ একগোট হৈ সমন্বিত প্ৰচেষ্টাৰ মাজেৰে ড্ৰাগছবিৰোধী অভিযানক আগুৱাই নিয়া। একেদৰে ৰক্তদান আৰু মৰণোত্তৰ নেত্ৰদান-অংগদান আন্দোলনক প্ৰসাৰিত কৰা প্ৰয়োজন।

সেয়েহে এফালে ড্ৰাগছবিৰোধী অভিযান আৰু আনফালে নেত্ৰদান-অংগদান আন্দোলনক উৎসাহিত কৰাৰ বাবে ইলোৰা বিজ্ঞান মঞ্চৰ উদ্যোগত আয়োজন কৰা এই পদযাত্ৰাৰ প্ৰতি গুৱাহাটীৰ Regional Organ and Tissue Transplant Organisation (ROTTO) Guwahati আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় (GMC)ৰ পক্ষৰ পৰা পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াইছে। তদুপৰি বৃহত্তৰ ৰঙিয়া অঞ্চলৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানেও আগবঢ়াইছে অকুণ্ঠ সমৰ্থন আৰু সহযোগিতা। সিদিনা জীৱন অভিমুখে খোজত খোজ মিলাব স্থানীয় ৰাইজৰ লগতে ভালেসংখ্যক বিজ্ঞানী-শিল্পী-সাহিত্যিক-বুদ্ধিজীৱী-খেলুৱৈ আৰু বিশিষ্ট নাগৰিকে।

**আহক, অহা ২ নৱেম্বৰ, দেওবাৰে পুৱা ৬.৩০ বজাত ৰঙিয়াৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত সকলো সমবেত হওঁ** আৰু ছাত্ৰ-যুৱ, শিক্ষক-অভিভাৱক আৰু সৰ্বস্তৰৰ ৰাইজৰ অংশগ্ৰহণেৰে ৰঙিয়াৰ ৰাজপথৰ পদযাত্ৰাত ভাগ লওঁ। সুস্থ, সুখী আৰু আশাভৰা জীৱন আৰু সমাজ নিৰ্মাণ হওক এই যাত্ৰাৰ লক্ষ্য।

মানৱতাবাদৰ জয়ধ্বনিৰে বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰ আৰু ড্ৰাগছমুক্ত অসম গঢ়াৰ স্বপ্ন হওক আমাৰ অংগীকাৰ।

**ধন্যবাদ আৰু অভিনন্দন সহকাৰে —**

ড° কালীপ্ৰসাদ শৰ্মা, *সভাপতি*
ডাঃ জয়দেৱ শৰ্মা, *কাৰ্যকৰী সভাপতি*
কমলেশ গুপ্ত, *সাধাৰণ সম্পাদক*
**কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কমিটি**

ড° পাৰ্থফুকন মহন্ত, *সভাপতি*
ডাঃ নিলমণি কলিতা, *কাৰ্যকৰী সভাপতি*
মুস্তাফা কামাল আহমেদ আৰু অমৰজ্যোতি শৰ্মা, *সাধাৰণ সম্পাদক*
**পঞ্চম অসম ৰাজ্যিক সন্মিলনৰ অভ্যৰ্থনা সমিতি**

**ইলোৰা বিজ্ঞান মঞ্চ**